# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

**Date :** 15-05-2025 **Time :** 1340 Hrs.

## *HEADLINES*

১। তামিলনাডুৰ বিধেয়কৰ গোচৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে কৰা ৰায়দানৰ পৰৱৰ্তী পৰ্যায়ত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সৰ্বোচ্চ ন্যায়ালয়খনলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি শ্ৰীনগৰত উপস্থিত হৈ জম্মু-কাশ্মীৰত অপাৰেচন সিন্দূৰৰ পাছৰ পৰিস্থিতিৰ বুজ ল'ব।

৩। HONDURAS-ৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এডুৱাও এনৰিক ৰেইনা গাৰ্ছিয়াই নতুন দিল্লীত দেশখনৰ এটা দূতাবাস মুকলি কৰিব।

৪। কৰাচীত অনুষ্ঠিত ৰাজনৈতিক সমাবেশত সন্ত্ৰাসবাদী নেতাৰ অংশগ্ৰহণে পাকিস্তানৰ সন্ত্ৰাসবাদ বিৰোধী স্থিতিৰ অন্তঃসাৰশূন্যতাক পুনৰ প্ৰতিপন্ন কৰিছে।

আৰু

৫। খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহৰ আজি সন্ধিয়া সামৰণি পৰিব।

০০০০০০০

তামিলনাডুৰ বিধেয়কৰ গোচৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে কৰা ৰায়দানৰ পৰৱৰ্তী পৰ্যায়ত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সৰ্বোচ্চ ন্যায়ালয়খনলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত সাংবিধানিকভাৱে কোনো নিৰ্দিষ্ট সময়সীমাৰ উল্লেখ নথকাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যপালসকলৰ বাবে বিধেয়কৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ নিৰ্দিষ্ট সময়সীমা নিৰ্ধাৰণ কৰি দিব পাৰিনে নাই, সেই বিষয়ে বিবেচনা কৰিবলৈ উচ্চতম ন্যায়ালয়ক আহ্বান জনোৱা হৈছে। উল্লেখযোগ্য যে সংবিধানৰ ১৪৩ নম্বৰ অনুচ্ছেদৰ ১ নম্বৰ দফা অনুসৰি ৰাষ্ট্ৰপতিয়ে আইনী তথা ৰাজহুৱা দিশৰ পৰা গুৰুত্বপূৰ্ণ বিষয়ত উচ্চতম ন্যায়ালয়ৰ মত গ্ৰহণ কৰিব পাৰে।

০০০০০০০০০

ভাৰতৰ এটা কাৰিকৰী প্ৰতিনিধিৰ দলে পেহেলগামত সংঘটিত শেহতীয়া সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ সন্ত্ৰাস প্ৰতিৰোধী বিষয়াসকলক সাক্ষাৎ কৰি সন্ত্ৰাসবাদ বিৰোধী যুঁজখনত সহযোগিতা বৃদ্ধিৰ বিষয়ক লৈ আলোচনা কৰে। এই বৈঠকত ৰাষ্ট্ৰসংঘৰ সন্ত্ৰাস প্ৰতিৰোধী কাৰ্যালয়ৰ অৱৰ সচিব প্ৰধান ভ্লাদিমীৰ ৱৰংক'ভ আৰু সন্ত্ৰাস প্ৰতিৰোধী সমিতিৰ কাৰ্যবাহী সঞ্চালকালয়ৰ সহকাৰী সচিব প্ৰধান নাটালিয়া ঘেৰমেনে অংশগ্ৰহণ কৰে। তেওঁলোকে এইক্ষেত্ৰত সহযোগিতাৰ হকে মত পোষণ কৰি ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সন্ত্ৰাসবাদ প্ৰতিৰোধী প্ৰস্তাৱ আৰু ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ প্ৰতিৰোধী কৌশল কাৰ্যকৰীকৰণৰ বিষয়ে উল্লেখ কৰে। বিষয়ববীয়া দুগৰাকীয়ে পেহেলগামত ২৬ গৰাকী লোকে প্ৰাণ হেৰুওৱাৰ ঘটনাক লৈ শোক প্ৰকাশ কৰে। উল্লেখযোগ্য যে পেহেলগামৰ আক্ৰমণ সংঘটিত কৰা The Resistance Front চমুকৈ TRF নামৰ সংগঠনটো পাকিস্তানভিত্তিক লস্কৰ-ই-তৈবাৰ সহযোগী সংগঠন আৰু ইয়াক ৰাষ্ট্ৰসংঘৰ দ্বাৰা আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠনৰ তালিকাভুক্ত কৰি থোৱা আছে।

০০০০০০০০০

লক্ষ্ণৌত আজি এখন চলন্ত বাছত সংঘটিত অগ্নিকাণ্ডত দুটি শিশুকে ধৰি কমেও ৫ জন লোকে প্ৰাণ হেৰুৱায়। বিহাৰৰ পৰা দিল্লী অভিমুখী নৈশ বাছখনত লক্ষ্ণৌৰ মোহনলালগঞ্জৰ কাষৰীয়া কিষাণ পথত

আকস্মিকভাৱে এই অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটাৰ সময়ত বাছখনৰ অধিকাংশ যাত্ৰীয়েই শুই আছিল। উত্তৰ লক্ষ্ণৌৰ আৰক্ষী উপ-আয়ুক্ত নিপুণ আগৰৱালে জনোৱা মতে যাত্ৰীবাহী বাছখনত আকস্মিকভাৱে সংঘটিত এই দুৰ্ঘটনাৰ বিষয়ে জানিব পাৰি মোহনলালগঞ্জ আৰক্ষীয়ে ততাতৈয়াকৈ ব্যৱস্থা গ্ৰহণ কৰে। দুৰ্ঘটনাটোৰ সময়ত বাছখনত প্ৰায় ৭০ গৰাকী লোক আছিল। আৰক্ষী বিষয়াগৰাকীয়ে জনোৱা মতে দুৰ্ঘটনাটোৰ সময়ত গাড়ীখনৰ জৰুৰী প্ৰস্থান পথ খোল নোখোৱাৰ ফলস্বৰূপে পাছফালে বহি থকা যাত্ৰীসকল আবদ্ধ হৈ পৰে বুলি প্ৰাথমিক তদন্তত প্ৰকাশ পাইছে।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে তেওঁৰ জম্মু-কাশ্মীৰ ভ্ৰমণৰ অংশ হিচাপে আজি শ্ৰীনগৰত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে জম্মু-কাশ্মীৰত অপাৰেচন সিন্দূৰৰ পাছৰ পৰিস্থিতিৰ বুজ ল'ব। প্ৰতিৰক্ষা সূত্ৰই জনোৱা মতে শ্ৰী সিঙক এই ভ্ৰমণকালত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ কেইবাগৰাকীও শীৰ্ষ বিষয়াই সংগ দিব। শ্ৰী সিঙে শ্ৰীনগৰৰ সেনাৰ ফিফ্‌টিন কৰ্পছৰ মুখ্য কাৰ্যালয় পৰিদৰ্শন কৰিব। তাত তেওঁক অপাৰেচন সিন্দূৰৰ প্ৰস্তুতি তথা এই অভিযানৰ সময়ৰ সকলোবোৰ দিশৰ বিষয়ে অৱগত কৰা হ'ব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সেনা জোৱানসকলক সাক্ষাৎ কৰি তেওঁলোকক অপাৰেচন সিন্দূৰৰ সফলতাৰ বাবে অভিনন্দন জনোৱাৰ উপৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰিব।

ooooooooo

সেনাৰ ইষ্টাৰ্ণ কমাণ্ডৰ অভিযানত মণিপুৰৰ চান্দেল জিলাৰ খেনজয় মহকুমাৰ নিউ চামতলত পাৰ্বত্য জিলাৰ সন্দেহযুক্ত বিদ্ৰোহী সংগঠনৰ ১০ জন সদস্য নিহত হয়। ইষ্টাৰ্ণ কমাণ্ডে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা অনুসৰি চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত সেনাই এই অঞ্চলটোত অভিযান চলোৱাৰ সময়তে সন্দেহযুক্ত গোটটোৰ সদস্যসকলে সেনা-জোৱানসকলক উদ্দেশ্যি গুলীচালনা কৰে। প্ৰত্যুত্তৰত সেনাৰ গুলীচালনাত ১০ জন সদস্যৰ মৃত্যু হয়। অঞ্চলটোৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলীবাৰুদ উদ্ধাৰ কৰা হয়। আকাশবাণী ইম্ফলৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি প্ৰাৰম্ভিক চিনাক্তকৰণত সদস্যকেইজন মণিপুৰ আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তত থকা জিলাসমূহৰ সন্দেহযুক্ত বিদ্ৰোহী সংগঠনৰ সৈতে জড়িত আছিল বুলি জানিব পৰা গৈছে। আমালৈ এই বাতৰি অহা পৰ্যন্ত অঞ্চলটোত অভিযান অব্যাহত আছে।

ooooooooo

HONDURAS-ৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এডুৱাও এনৰিক ৰেইনা গাৰ্ছিয়া নতুন দিল্লীত উপস্থিত হৈছেহি। মন্ত্ৰীগৰাকীয়ে আজি নতুন দিল্লীত HONDURAS-ৰ দূতাবাস মুকলি কৰিব। বিয়লিৰ ভাগত তেওঁ বিদেশ মন্ত্ৰী ডঃ এছ্ জয়শংকৰকো সাক্ষাৎ কৰিব। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে ভাৰত আৰু HONDURAS ৰ মাজৰ বন্ধুত্বপূৰ্ণ দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত দূতাবাস মুকলিৰ এই কাৰ্যক এটা গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে অভিহিত কৰে।

ooooooooo

পাকিস্তানে ৰাজহুৱাভাৱে সন্ত্ৰাসবাদৰ বিৰুদ্ধে মত প্ৰকাশ কৰি আহিলেও আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী সংগঠনৰ প্ৰতি সহায় আৰু সমৰ্থন দেশখনে এতিয়াও অব্যাহত ৰাখিছে। শেহতীয়াকৈ কৰাছীত অনুষ্ঠিত এখন ৰাজনৈতিক সমাবেশত ফইজল নাডিম ওৰফে আবু কাটল আৰু ২৬/১১-ত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ মূল হোতা হাফিজ চয়িদৰ ভতিজাকে অংশগ্ৰহণ কৰা কাৰ্যই পাকিস্তানত

ৰাজনীতি আৰু সন্ত্ৰাসবাদ সনাপিঠা হৈ থকাটো পুনৰবাৰ প্ৰতীয়মান হৈছে। সমাবেশখনত ফইজল নাডিমৰ অংশগ্ৰহণে লোকজন পাকিস্তানৰ ৰাজনৈতিক জীৱনৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ থকাটোকে সূচায় বুলি সংবাদ মাধ্যমত চৰ্চা হৈছে। একে সময়তে এই ঘটনাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে পাকিস্তানে গ্ৰহণ কৰা তথাকথিত ভূমিকাৰ ক্ষেত্ৰত স্ব-বিৰোধী স্থিতি প্ৰতিপন্ন কৰা বুলিও মত প্ৰকাশ পাইছে। উল্লেখযোগ্য যে পাকিস্তানৰ ৰাজনৈতিক ক্ষেত্ৰখনত দীৰ্ঘদিন ধৰি সন্ত্ৰাসবাদীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। লস্কৰ-ই-তৈবা আৰু জেইচ-ই-মহম্মদৰ দৰে সন্ত্ৰাসবাদী সংগঠনসমূহে দেশখনৰ সেনা বাহিনীৰ হৈ কাম কৰাটো পুনৰবাৰ প্ৰমাণিত হোৱাৰ লগতে কৰাচীত অনুষ্ঠিত পাকিস্তানী সেনাৰ সমাবেশত আন্তঃৰাষ্ট্ৰীয়ভাৱে নিষিদ্ধ ঘোষিত এনে সংগঠনৰ নেতাৰ অংশগ্ৰহণেও ৰাজনীতিৰ সৈতে ধৰ্মীয় মৌলবাদীৰ সম্পৰ্কটো স্পষ্ট কৰি তুলিছে।

ooooooooo

কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ তিনিখন ৰাজ্যৰ চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি বিয়লি মিজোৰামত উপস্থিত হয়। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কৃষি, উদ্যান শস্য, পশুপালন আৰু গ্ৰামোন্নয়নৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প পৰ্যালোচনা কৰাৰ লগতে ভালেমান প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ভালেসংখ্যক কৃষক তথা হিতাধিকাৰীৰ সৈতেও মত-বিনিময় কৰিব। মন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণ কালত ২৯ মে'ত দেশজুৰি আৰম্ভ হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযানত ৰাজ্যসমূহৰ সহযোগিতা সম্পৰ্কেও আলোচনা কৰিব। আজি শ্ৰীচৌহানে মিজোৰাম কৃষি মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি দুপৰীয়াৰ ভাগত নাগালেণ্ডৰ জুলুকিস্থিত পশু চিকিৎসা বিজ্ঞান আৰু পশুপালন মহাবিদ্যালয়ৰ প্ৰশাসনিক আৰু শৈক্ষিক ভৱন মুকলি কৰিব। কাইলৈ মন্ত্ৰীগৰাকীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰাৰ লগতে ৰাজ্যখনৰ কৃষিমন্ত্ৰী আৰু সাংসদসকলৰ সৈতে মত-বিনিময় কৰিব। পৰহিলৈ শ্ৰীচৌহানে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ কামাখ্যা মন্দিৰো দৰ্শন কৰিব।

ooooo

খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহৰ আজি সন্ধিয়া সামৰণি পৰিব। বিহাৰৰ পাটনাৰ কংকৰবাঘৰ পাতলিপুত্ৰ ক্ৰীড়া প্ৰাংগণত সন্ধিয়া চাৰে ৬ বজাত এই ক্ৰীড়া সমাৰোহৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। যোৱা ৪ মে'ত আৰম্ভ হোৱা এই প্ৰতিযোগিতাৰ আজি অন্তিম দিনা পাটনা আৰু ৰাজগীড়ত বাস্কেটবল, মল্লযুঁজ আৰু ফেঞ্চিঙৰ পদকৰ বাবে নিৰ্ণায়ক খেলসমূহ অনুষ্ঠিত হৈছে। আজি পুৱা ল'ৰাৰ বাস্কেটবলত তামিলনাডুৱে দিল্লীক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক জয় কৰে। আনহাতে, ছোৱালীৰ বাস্কেট বলত পাঞ্জাৱে মহাৰাষ্ট্ৰক পৰাস্ত কৰি পদক জয় কৰে। প্ৰতিযোগিতাত মহাৰাষ্ট্ৰই এতিয়ালৈকে ৫৬ টা সোণ আৰু ৪৫ টা ৰূপসহ মুঠ ১৪৯ টা পদকেৰে সামগ্ৰিকভাৱে শীৰ্ষস্থান দখলৰ পথত অগ্ৰসৰ হৈছে। হাৰিয়ানা ৩৫ টা সোণ আৰু ২৬ টা ৰূপৰ পদকসহ মুঠ ১০৭ টা পদকেৰে দ্বিতীয় স্থানত আছে। ৰাজস্থানে ২২ টা সোণৰ পদকসহ ৫৫ টা পদকেৰে তৃতীয় স্থান দখল কৰিছে। সামৰণি অনুষ্ঠানত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাৰ্ছে আৰু বিহাৰৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooooooo

সমাপ্ত